AMAZING FACTS India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## সম্ৰাটৰ সপোন

দানিয়েল ২:১-৪৯

## কাহিনী...



**বিশাল** সাম্ৰাজ্য বাবিল ঐশ্বৰ্য্য-বিভূতিৰে পৰিপূৰ্ণ আৰু অতি সম্পদশালী আছিল, ততস্বত্তেও ৰজা নবূখদনেচৰ, তেওঁৰ ৰাজকীয় বিছনাখনত চটফটাই আছিল । কিমান কাল এই সোনালী যুগ টি তিষ্টি থাকিব, তেওঁ সঙ্কাবোধ কৰিছিল আৰু তেওঁ যেতিয়া নাথাকিব তেতিয়া তেওঁৰ পৰাক্ৰমী সাম্ৰাজ্য থন কি হব?

মনত বাস লোৱা এইবোৰ প্ৰশ্নই, পৰাক্ৰমী সম্ৰাট জনৰ টোপনি কাঢ়ি নিছিল । সেই নিশাই, কাৰো লগত সাদৃশ্য নথকা বহুধাতুৰে নিৰ্মিত সু-উচ্চ স্তম্ভৰ সমান সজীৱ মূৰ্ত্তিৰ এটা সম্পূৰ্ণ দৃশ্য তেওঁৰ মনত দেখা দিছিল, যাক তেওঁ কোনো কালে দেখা নাছিল । গাত-লোৱা গুণাৰে বন কৰা কাপোৰখন দলিয়াই দি, সম্ৰাটে জাপ মাৰি বিছনাখনৰ পৰা উঠিছিল আৰু চিঞৰি তেওঁৰ দেহ-ৰক্ষী বিলাকক মাতিছিল: "তুৰন্তে, শাস্ত্ৰজ্ঞ, গণক আৰু মায়াবী সকলক ইয়ালৈ আহিবলৈ মাতি পঠিওৱা । এই সপোনৰ অৰ্থক মই জানিবই লাগিব!"

সম্ৰাটৰ জ্ঞানীপুৰুষ সকল তাৰাতাৰিকৈ শোৱাৰ পৰা উঠিছিল আৰু বিচূৰ্ত্তিখোৱা সম্ৰাটৰ ওচৰত দলেবলে হাজিৰ হৈছিলগৈ । "তেতিয়া ৰজাই তেওঁবিলাকক কলে, মই এটা সপোন দেখিলো, তাক জানিবলৈ মোৰ মন চিন্তিত হৈছে" । দানিয়েল ২:৩ । নামধাৰী ভাৱবাদী বিলাকৰ এজনে মনভলুৱা অতি সুন্দৰভাষাত উত্তৰ দিছিল, "আপানাৰ দাসবিলাকৰ আগত সপোনটো কওক, আৰু আমি তাৰ ফলিতা কম" । কিন্তু সপোনৰ ক্ষেত্ৰত সচৰাচৰ হোৱাৰ দৰে, নবূখদনেচৰৰ মনত সপোনৰ সবিশেষ ইতিমধ্যে অস্পষ্ট ধোঁৱাময় হৈ পৰিছিল । এই মানুহ বিলাকে ঐশ্বৰিক জ্ঞান থকা বুলি দাবী কৰিছিল, কিন্তু ৰজাই তেওঁবিলাকৰ পাৰদৰ্শী ক্ষমতাৰ ওপৰত সন্দেহ কৰিবলৈ লৈছিল । এইটো সম্পূৰ্ণ সিদ্ধ পৰীক্ষা হবলগীয়া আছিল । "সপোন আৰু ফলিতাৰ কথা মোক কোৱা, আৰু তোমালোকে পুৰস্কৃত হবা", ৰজাই তেওঁৰ সভাসদ সকলক কৈছিল, "অন্যথা তোমালোকক ডোখৰ ডোখৰকৈ কটা যাব আৰু তোমালোকৰ ঘৰবোৰ গোবৰৰ দম যেন কৰা হব!"

শাস্ত্ৰজ্ঞ, গণক আৰু মায়াবী বিলাকে ৰজাৰ সপোনতো প্ৰথমতে নুশুনাকৈ ইয়াৰ ফলিতা কবলৈ যে অক্ষম আৰু শক্তিহীন তাক মানি লোৱাৰ বাদে আন উপায় নাছিল । এই প্ৰবঞ্চক বিলাকৰ ওপৰত খৰ্গ-গ্ৰস্ত হৈ, ৰজাই আদেশ দিছিল, বাবিলৰ আটাইবিলাক বিদ্বান মানুহক গোটে থুৱাই যেন মত্যুদন্ড বিহা হয় । যিকি নহওক, বাবিলত ঈশ্বৰ যিহোৱাৰ এজন ব্যক্তি তেতিয়াও আছিল, যি জনে প্ৰকান্ড সহস্ৰবছৰীয় মানুহজনৰ সপোনটোৰ ফলিতা কবলৈ সক্ষম আছিল ।



পাঠ নং- ২

# অধ্যয়ন

প্ৰতিটো বাইবেল পদ পঢ়াৰ পিছত তলত দিয়া খালী ঠাইবোৰ পূৰ্ণ কৰা ।

## ১. ঈশ্বৰে, বাবিলৰ ৰজাক এই সপোনটো কিয় দেখুৱাইছিল?

**দানিয়েল ২:২৮** “কিন্তু [redacted] প্ৰকাশ কৰোতা এজনা ঈশ্বৰ স্বৰ্গত আছে; [redacted] যি যি ঘটিব, সেই সকলোকে তেও মহাৰজা নবূখদনেচৰক জনালে”...।

**টোকা:** বহু ধাতুৰ মূৰ্ত্তিৰ এই সপোনত ঈশ্বৰে ভৱিষ্যতৰ সহস্ৰবছৰ সমূহৰ নিমিত্তে উত্থান আৰু পতন হবলগীয়া সাম্ৰাজ্য সমূহৰ এখন নক্সা দেখুৱাইছিল যি তেওৰ লোকসকলৰ ওপৰত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলাবলগীয়া আছিল ।

## ২. ৰজাৰ বিদ্বান লোকসকলে যেতিয়া সপোন আৰু তাৰ ফলিতাৰ কথা প্ৰকাশ কৰিবলৈ অক্ষম হৈছিল, তেতিয়া নবূখদনেচৰৰ হুকুম কি আছিল?

**দানিয়েল ২:১২** “... ৰজাই ক্ৰুদ্ধ হৈ ... বাবিলৰ আটাই বিদ্বান লোকক [redacted] কৰিবলৈ আজ্ঞা দিলে..”

**টোকা:** বাবিলৰ শাস্ত্ৰজ্ঞ, গণক আৰু মায়াবী সকলে নিজকে অলৌকিক শক্তিৰ অধিকাৰী বুলি দাবী কৰিছিল, কিন্তু যেতিয়া তেওলোকে ৰজাৰ সপোনৰ কথাক প্ৰকাশ কৰিব সমৰ্থ হোৱা নাছিল, তেওবিলাকে নিজকে শক্তিহীন প্ৰবঞ্চক বুলিহে দেখুৱাইছিল । যদি ৰজাই সপোনটোক মনত পেলাব পাৰিলেহেতেন, তেতিয়া তেওলোকে এটা মিছা, কৃটিম ফলিতা সজায়-পৰায় কলেহেতেন । ইয়াতেই খঙত খৰ্গ-গ্ৰস্ত হৈ, নবূখদনেচৰে আটাইবিলাক বিদ্বানলোকক- এনেকি যি সকল তাত উপস্হিত নাছিল তেওবিলাককো বধ কৰিবলৈ আদেশ জাৰি কৰিছিল ।ৰজাৰ সৈতে হোৱা প্ৰথম সাক্ষাতত অনুপস্হিত হোৱা বিলাকৰ মাজত এজন আছিল ঈশ্বৰ ভয়কাৰী বন্দীয়াৰ দানিয়েল, যিজন ব্যক্তিক সেই সময়ত ৰজাৰ পৰিচৰ্য্যাৰ বাবে মাত্ৰ প্ৰশিক্ষণ দি শেষ কৰা হৈছিল।

## ৩. মৃত্যু দন্ডৰ আদেশৰ বিষয়ে যেতিয়া দানিয়েলে গম পাইছিল, তেতিয়া তেও ৰজাক কি অনুৰোধ কৰিছিল আৰু তেও নিজৰ বন্ধু সকলক কি কৈছিল?

**ক. দানিয়েল ২:১৬** তেতিয়া দানিয়েলে ৰজাৰ ওচৰলৈ গৈ এই প্ৰাৰ্থনা কৰিলে, মহাৰাজক সপোনটোৰ [redacted] জনাবৰ অৰ্থে মোক কিছু [redacted] দিবলৈ আজ্ঞা হওক ।

**খ. দানিয়েল ২:১৭, ১৮** পাছে, দানিয়েল আৰু তেওৰ লগৰীয়া বিলাক বাবিলত আন বিদ্বানবিলাকে সৈতে বিনষ্ট নহবৰ নিমিত্তে, সেই [redacted] বিষয়ে স্বৰ্গৰ ঈশ্বৰৰ আগত কৃপা মাগন কৰিবলৈ, দানিয়েলে নিজৰ ঘৰলৈ গৈ তেওৰ লগৰীয়া হননিয়া, মীচায়েল, আৰু অজৰিয়াক সেই কথা [redacted] ।

**টোকা:** দানিয়েলে নবূখদনেচৰৰ পৰা কিছু সময় পাবৰ নিমিত্তে অনুৰোধ কৰিছিল আৰু প্ৰতিজ্ঞা কৰিছিল যে তেও সপোনটোক প্ৰকাশ কৰিব আৰু তাৰ অৰ্থটিকো জনাব । ৰজাই, যি তেওৰ দৰ্শনৰ তাতপৰ্য্যতাক জানিবলৈ তেতিয়াও পৰম আগ্ৰহী হৈ আছিল, দানিয়েলৰ অনুৰোধটিক মনজুৰ কৰিছিল । তাৰ পাছত, তেও আৰু তেওৰ বন্ধু সকলে একমাত্ৰ সেই উতসহৰ ওচৰত নিবেদন কৰিছিল যি জনাই ৰজাৰ সপোনটোক প্ৰকাশ কৰিব পাৰে । তেওবলাকে স্বৰ্গৰ ঈশ্বৰ জনাৰ গুৰিত প্ৰাৰ্থনা কৰিছিল ।

## ৪. ঈশ্বৰ যিহোৱাই যেতিয়া দানিয়েলৰ আগত সপোনটোক প্ৰকাশ কৰিছিল, তেতিয়া তেও কাক গৌৰৱ প্ৰসংশা কৰিছিল আৰু মান সন্মান দিছিল?

**দানিয়েল ২:২৩, ২৮** হে মোৰ ওপৰ-পিতৃবিলাকৰ [redacted], মই তোমাৰ ধন্যবাদ আৰু প্ৰশংসা কৰিছো ... [redacted] প্ৰকাশ কৰোতা এজনা [redacted] স্বৰ্গত আছে ... ।

**টোকা:** সাম্ৰাজ্যৰ উত্থান পতন হয় আৰু এইবোৰ মানুহৰ ইচ্ছাৰে হোৱা বুলি ভৰা হয়, কিন্তু দানিয়েলৰ গৌৰৱ প্ৰশংসাৰ প্ৰাৰ্থনাটিয়ে স্পষ্টকৈ প্ৰকাশ কৰিছে যে এই ক্ষেত্ৰত ঐশ্বৰিক জনাৰ হাত জৰীত হৈ থাকে । ঈশ্বৰে আগতীয়াকৈ সতৰ্ক নকৰাকৈ আৰু তেওৰ অনুমতিৰ অবিহনে একো ঘটিব নোৱাৰে । কেতিয়াবা হয়তো আমি নুবুজিব পাৰো আজি আমাৰ পৃথিবীখনত কি ঘটি আছে বা কিয় ঘটি আছে , কিন্তু এইটো জানি সান্তনা পাও যে এনে অৱস্হাতো ঈশ্বৰ সৰ্ব্বশক্তিমান হৈ আমাৰ সংগত আছে । মাত্ৰ দানিয়েলেহে ৰজাক সপোনটোৰ কথা জনাব পাৰিছিল, তথাপিও তেও অতি স্পষ্টকৈ সেই জনাকহে মান-সন্মান দিছিল যি জনাই তেওৰ আগত সপোনটো প্ৰকাশ কৰিছিল—সেই জনাই হৈছে স্বৰ্গত থকা ঈশ্বৰ ।

## ৫. ৰজাই তেওৰ সপোনত কি দুটা বস্তু দেখিছিল বুলি দানিয়েলে কৈছিল ?

**ক. দানিয়েল ২:৩১** “হে মহাৰাজ, আপুনি চাই এটা [redacted] দেখিছিল ...”

**খ. দানিয়েল ২:৩৪** “আপুনি চাই থাকোতেই শেষত এটা [redacted] বিনাহাতে কাটি উলিওৱা হল ...”

**টোকা:** ৰজাই দেখা প্ৰথম বস্তুটো আছিল এটা বৃহত মূৰ্ত্তি যিটো তলত দিয়া ধাতুৰে নিৰ্মিত আছিল:

১. মূৰটো সোনেৰে।
২. বুকু আৰু বাহুদুখন ৰূপেৰে।
৩. পেট আৰু কৰঙন পিতলৰে।
৪. ভৰি লোহাৰে ।
৫. ভৰিৰ পতা কিছু লোহা আৰু কিছু মাটিৰে ।

ইয়াৰ পিছত ৰজাই বিনা হাতেৰে কাটি উলিওৱা এটা শিল দেখিছিল । এইটো ক্ষণত, ৰজা নবূখদনেচৰে নিসন্দেহে তেওৰ ৰাজ সিংহাসন খনৰ দাতিত মন্ত্ৰমুগ্ধ হৈ বহি আছিল । দানিয়েলে, ঈশ্বৰে তেওক যেনেকৈ দেখুৱাইছিল ঠিক সেইদৰে সপোনটোক পৰিপাটিকৈ বৰ্নণা কৰিছিল। এতিয়া ৰজাই অতি আগ্ৰহেৰে অপেক্ষা কৰিছিল, সপোনৰ অৰ্থ কি হব

পাৰে বুলি বিচুৰ্ত্তি থাইছিল । ঈশ্বৰে তেওক যেনেকৈ প্ৰকাশ কৰি দেখুৱাইছিল ঠিক সেইদৰে সপোনৰ ফলিতা কবলৈ দানিয়েল আগবাঢ়ি গৈছিল, আৰু তেও যেনেকৈ ইয়াৰ অৰ্থৰ ব্যাখ্যা দিছিল আমিও সেইদৰে ইয়াক গ্ৰহন কৰিমহক । বাইবেল আৰু ভাৱবানীৰ ব্যাখ্যা কৰাৰ একমাত্ৰ নিৰাপদ উপায়টো হৈছে বাইবেলে বাইবেলক ব্যাখ্যা কৰিবলৈ এৰি দিয়া ।

## ৬. সোনৰ মূৰটো কিহৰ প্ৰতীক ?

**দানিয়েল ২:৩৮** "আপুনিয়েই সেই সোনৰ [redacted]" ।

**টোকা:** ৰাষ্ট্ৰৰ মূৰব্বী হিচাপে ৰজাক গন্য কৰা হৈছিল । সেই কাৰনে নবূখদনেচৰ বাবিলৰ প্ৰতীক আছিল, যিখন সাম্ৰাজ্যত ভাৱবানী আৰম্ভ হৈছিল । নিঅ-বাবিল পৌৰাণিক সময়ৰ সাম্ৰাজ্য সমূহৰ মাজত আটাইতকৈ শক্তিশালী সাম্ৰাজ্য হিচাপে পৃথিবীখনক ৬১২ ৰ পৰা ৫৩৯ খ্ৰীষ্টপূৰ্বলৈ শাসন কৰিছিল—যাক উপযুক্ততাৰে সোনৰ মূৰ হিছাপে বৰ্ননা কৰা হয় । লক্ষ্য কৰিব যে দানিয়েলৰ সময়ৰ লগতেই ভাৱবানীৰ আৰম্ভ হৈছে ।

## ৭. বাবিল ৰাজ্যখন অনন্তকাল ধৰি বৰ্তি থাকিবলগীয়া আছিল নেকি ?

**দানিয়েল ২:৩৯** "আপোনাৰ পাছত আপোনাতকৈ নৰম [redacted] ৰাজ্য উঠিব ..."

**টোকা:** বাবিলৰ আধিপত্য সদাকাল বৰ্তি থকিবলগীয়া নাছিল । ইয়াৰ স্হানত আহিবলগীয়া ৰাজ্যখন বাবিলতকৈ কম শক্তিশালী আৰু নৰম হবলগীয়া আছিল । যেনেকৈ ৰূপ, সোনতকৈ কম মূল্যৰ ধাতু, ঠিক তেনেকৈ বাবিলৰ পিছত আহিবলগীয়া ৰাজ্যখন ইয়াৰ হ্ৰাস হৈ যোৱা গৌৰৱ মহিমাকহে পাবলগীয়া আছিল । খ্ৰীষ্টপূৰ্ব ৫৩৯ ত চাইৰাচৰ পৰিচালনাত মেডিয়া-পাৰস্যৰ সম্ৰাটে বাবিল জয় কৰি অধিকাৰ কৰিছিল আৰু ইয়াৰ গৌৰৱ লাঘব কৰি ধ্বংশ কৰিছিল । খ্ৰীষ্টপূৰ্ব ৫৩৯ চনৰ পৰা ৩৩১ চনলৈ মেডিয়া আৰু পাৰস্যই আছিল পৃথিবী শাসন কৰা ক্ষমতা । তেওবিলাকৰ শাসনকালৰ সময় চোৱাত সকলোবোৰ কৰ-কাতল আৰু খাজনা ৰূপৰ মুদ্ৰাত পৰিশোধ কৰিবলগীয়া হৈছিল ।

## ৮. মেডিয়া-পাৰস্যৰ পিছত আহিবলগীয়া ৰাজ্যখনক কি ধাতুৰে সূচাবলগীয়া আছিল ?

**দানিয়ল ২:৩৯** "... তাৰ পাছত [redacted] আন এক তৃতীয় ৰাজ্য উঠিব, সেয়ে গোটেই পৃথিবী শাসন কৰিব" । পিতল সদৃশ ৰাজ্য গ্ৰীচ ক্ষমতালৈ আহিছিল যেতিয়া মহা-প্ৰতাপী আলেকজেন্ডাৰে খ্ৰীষ্টপূৰ্ব ৩৩১ চনত আৰবেলা যুদ্ধত মেডিয়া-পাৰস্যক পৰাজয় কৰিছিল, আৰু গ্ৰীচ প্ৰায় ১৬৮ খ্ৰীষ্টপূৰ্বলৈ ক্ষমতাত আছিল । গ্ৰীচৰ সৈন্য-সামন্তবিলাকক "পিতলৰ আৱৰিত" সৈনিক বুলি কোৱা হৈছিল, কাৰন তেওবিলাকৰ আটাই অস্ত্ৰ-শস্ত্ৰবোৰ পিতলৰ আছিল । মন কৰক মূৰ্তিটোত ক্ৰমানুসৰি ব্যাখ্যা কৰা প্ৰতিটো ধাতুৰ মূল্য কেনেকৈ হ্ৰাস পাই গৈছে, অথচ ইয়াৰ কঠিনতা আগৰটোতকৈ কেনেকৈ বৃদ্ধি পাই গৈছে ।

## ৯. চতুৰ্থ ৰাজ্যখনক কি ধাতুৰে সূচোৱা হৈছে ?

**দানিয়েল ২:৪০** “... আৰু চতুৰ্থ ৰাজ্য [redacted] দৰে দৃঢ় হব ...”

**টোকা:** ৰোমৰ লৌহ সম্ৰাটে খ্ৰীষ্টপূৰ্ব ১৬৮ ত গ্ৰীকক অধিকাৰ কৰিছিল আৰু ৪৭৬ খ্ৰীষ্টাব্দত অষ্ট্ৰগথৰ দ্বাৰাই ৰোমক পৰাজয় নকৰালৈকে ৰোমে পৃথিবী আধিপত্যৰ সুখ উপভোগ কৰিছিল । ৰোমে হৈছে সেই ৰাজ্য যি যীচু খ্ৰীষ্টৰ জন্মৰ কালত পৃথিবীখনক শাসন কৰিছিল । লক্ষ্য কৰক দানিয়েলে অলপো ভুল নকৰাকৈ কিমান সঠিকভাৱে এক হাজাৰ বছৰৰ আগতে পৃথিবীৰ বুৰন্জীৰ বিষয়ে কৈছিল। পৃথিবীৰ চাৰিখন সাম্ৰাজ্য- বাবিল, মেডিয়া-পাৰস্য, গ্ৰীচ আৰু ৰোমৰ উত্থান-পতনৰ বিষয়ে বাইবেলত আগতীয়াকৈ কৈ থোৱা আছিল আৰু ইতিহাসৰ কিতাববোৰে ইয়াক প্ৰমান কৰি দেখুৱাইছিল ।

## ১০.ৰোমান সাম্ৰাজ্য পতন হোৱাৰ পিছত কি ঘটিবলগীয়া আছিল?

**দানিয়েল ২:৪১, ৪২** ... ভৰিৰ পতা আৰু ভৰিৰ আঙুলিবোৰ কিছু কুমাৰ-মাটিৰ আৰু কিছু লোহাৰ ; তাৰ দ্বাৰাই জানিব লাগে যে চতুৰ্থ ৰাজ্য [redacted] হব ... ৰাজ্য এভাগ দৃঢ়, আৰু এভাগ সহজে ভাঙিব পৰা হব ।

**টোকা:** ৪৭৬ খ্ৰীষ্টাব্দত ৰোমান সাম্ৰাজ্য ভাঙি খন্ড-বিখন্ড হবলৈ আৰম্ভ হৈছিল, ইয়াক আন এটা বিশ্ব-শক্তিয়ে পৰাজয় কৰা নাছিল । ইয়াৰ পৰিবৰ্তে আসুৰিক জাতিবিলাকেহে ৰোমান সাম্ৰাজ্য পৰাজয় কৰিছিল আৰু ঠিক দানিয়েলে কৰা ভৱিষ্যবানীৰ দৰে ই বিভক্ত হৈছিল । এই দহোটা জাতিয়ে আধুনিক ইউৰোপ গঠন কৰাত জৰীত আছিল । এইবোৰ আছিল অষ্ট্ৰগথ, ভিচিগথ, ফ্ৰেঙ্কচ ,ৱানদালচ, আলিমাননিয়ানচ, ছুৱেভিচ, এংল-ছেক্সনচ, হেৰুলচ, লমবাৰ্ডচ, আৰু বাৰগুনদিয়ানচ । ইয়াৰ সাতটা এতিয়াও ইউৰোপত আছে । উদাহৰন স্বৰূপে এংল-ছেক্সন হলগৈ ইংলিচ, ফ্ৰেঙ্কচ হলগৈ ফ্ৰান্স, আলিমাননিয়ানচ হলগৈ জাৰ্মান, আৰু লমবাৰ্ডচ হলগৈ ইটালিয়ান ।

## ১১.এই দহখন ৰাজ্য কেতিয়াবা একত্ৰিত হবলগীয়া আছিল নে?

**দানিয়েল ২:৪৩** ... সেই ৰাজ্যৰ লোকবিলাকৰ মাজত পৰস্পৰৰ বিবাহৰ সম্বন্ধ থাকিব-; কিন্তু যেনেকৈ লোহা মাটিৰ লগত লাগি নাথাকে তেনেকৈ তেওবিলাক পৰস্পৰে [redacted] ।

**টোকা:** বিবাহ, মৈত্ৰীসংঘ, আৰু সন্ধিৰ যোগেদি মানুহবিলাকে ইউৰোপীয়ান দেশসমুহক পুনৰ একত্ৰিকৰন কৰিবলৈ বৃথা চেষ্টা কৰি আহিছে । ইতিহাসৰ সকলোবোৰ পৰ্য্যায়তে, চাৰ্লেমাগ্নে, নিপোলিয়ান, কৈচাৰ উইলহেল্ম, মুচচলিনি আৰু হিটলাৰৰ দৰে বিশ্ব-নেতাই এখন নতুন ইউৰোপীয়ান সাম্ৰাজ্য গঠন কৰিবলৈ যুদ্ধ কৰি আহিছিল, কিন্তু শাস্ত্ৰৰ এই বাক্যবোৰে বিশ্ব-শাসক হোৱাৰ প্ৰতিটো প্ৰচেষ্টাক বিফল কৰি ৰাখিছিল । প্ৰকাশিতবাক্য ১৩ অধ্যায়ে আমাক কৈছে, এটা বিশ্বজনীন ধৰ্ম্ম প্ৰতিষ্ঠা কৰিবলৈ আন এটা প্ৰচেষ্টা হাতত লোৱা হব, কিন্তু দানিয়েলৰ ভাৱবানীয়ে অতি স্পষ্টকৈ উল্লেখ কৰিছে যে বাকী থকা জগতৰ ইতিহাসৰ নিমিত্তে পৃথিবীখন ৰাজনৈতিক ভাৱে বিভক্ত হৈয়ে ৰব ।

## ১২. অন্তিম ৰাজ্যখনক কোনে স্হাপন কৰিব বাৰু?

**দানিয়েল ২:৪৪** আৰু সেই ৰজাবিলাকৰ কালত [redacted] [redacted] এক ৰাজ্য স্হাপন কৰিব ; সেয়ে কেতিয়াও বিনষ্ট নহব ...

**টোকা:** ইয়াৰ পিছৰ মহা বিশ্বজনীন ৰাজ্যখন হব স্বৰ্গ ৰাজ্য, যাৰ বিষয়ে মথি ২৫:৩১-৩৪ পদবোৰত ব্যাখ্যা কৰা হৈছে ।

## ১৩. জগতৰ আন ৰাজ্যসমুহক সেই শিলটোৱে কি কৰিছে বাৰু?

**দানিয়েল ২:৩৪, ৩৫** ... এটা শিল বিনাহাতে কাটি উলিওৱা হল, আৰু সেই শিলে মূৰ্ত্তিটোৰ ভৰিৰ লোহা আৰু মাটিৰ পতা দুখনত [redacted] মাৰি তাক [redacted] কৰিলে ... কিন্তু যি শিলটোৱে মূৰ্ত্তিটোক খুন্দা মাৰিছিল, সেয়ে বৃহত [redacted] হৈ গোটেই পৃথিবী জুৰিলে ।

**টোকা:** যি শিল বিনাহাতে কাটি উলিওৱা হৈছিল সেয়া হৈছে ঈশ্বৰৰ ৰাজ্যৰ প্ৰতীক । ই জগতৰ ৰাজ্যসমুহৰ দ্বাৰাই গঠন হোৱা এখন ৰাজ্য নহব, কিন্তু ইহতক সম্পূৰ্ণৰূপে আতৰ কৰি গঠন হোৱা এখন ৰাজ্য হব (প্ৰকাশিতবাক্য ২১:১) । শাস্ত্ৰীয় বাক্যই ঘোষনা কৰিছে যে যেতিয়া যীচু পৃথিবীলৈ আকৌ এবাৰ আহিব, তেও তেতিয়া পৃথিবীৰ আটাইবোৰ ৰাজ্যক গ্ৰাস কৰিব আৰু এখন অনন্তকালস্হায়ী ৰাজ্য স্হাপন কৰিব (দানিয়েল ২:৪৪) । কি যে শিহৰণকাৰী সংবাদ ! যীচু খ্ৰীষ্ট আকৌ এবাৰ আহি আছে ! আটাই ইতিহাস সেই সমাপ্তিৰ মূহুৰ্ত্তটোলৈ আগবাঢ়ি গৈ আছে, যেতিয়া ধাৰ্ম্মিকতাৰ অনন্তকালস্হায়ী ৰাজ্যখন আনিবলৈ প্ৰতাপ আৰু মহিমাৰে ঈশ্বৰৰ পুত্ৰ জনাই আকৌ এবাৰ আহিব । নবূখদনেচৰ ৰজাই যেতিয়া যিৰোচালেম আক্ৰমন কৰিছিল আৰু ইয়াৰ মন্দিৰটোক লুন্ঠন কৰিছিল তেতিয়া হয়তো তেওৰ মনত ভাৱ হৈছিল, তেও প্ৰকৃত ঈশ্বৰক পৰাজিত কৰিলে (দানিয়েল ১:১), কিন্তু অচিৰেই তেওক দেখুওৱা হৈছিল যে, ঈশ্বৰেই হৈছে সকলোৰে শাসনকৰ্ত্তা । মানৱীয় ঘটনাবোৰ তেওৰ হাতৰ মুঠিতেই থাকে আৰু অৱশেষত তেৱেঁই যুদ্ধখনক জিকিব । বাবিল, মেডিয়া-পাৰস্য, গ্ৰীচ, ৰোম আৰু ৰোমান সাম্ৰাজ্যৰ দহোটা ভাগেই হয়তো ঐশ্বৰিক কতৃ্ত্বক কাঢ়ি আজুৰি আনিবলৈ বিছাৰিছিল আৰু ঈশ্বৰৰ লোকসকলক বিনষ্ট কৰিছিল, কিন্তু জগতৰ আটাইবিলাক ৰাজ্য অৱশেষত খ্ৰীষ্টৰ আগমনৰ দ্বাৰাই গুৰি হৈ ধূলিস্যাত হব । ধন্য ঈশ্বৰ, মহা-বিবাদ তেৱেঁই জয় কৰিব ।

## ১৪. দানিয়েলৰ পৰা সপোনটোৰ স্পষ্ট ফলিতা শুনাৰ পিছত, নবূখদনেচৰে ঈশ্বৰ যিহোৱাৰ বিষয়ে কি কৈছিল?

**দানিয়েল ২:৪৭** ৰজাই দানিয়েলক উত্তৰ দি কলে, তুমি এই নিগূঢ় কথা বুজাব পৰা হৈছা; "সচাঁকৈ তোমালোকৰ [redacted] [redacted], ৰজাবিলাকৰো প্ৰভু, আৰু নিগূঢ়-বিষয় প্ৰকাশক" ।

**টোকা:** জগতৰ ঘটনা সমূহ যে সম্পূৰ্ণভাৱে ঈশ্বৰৰ নিয়ন্ত্ৰনত আছে তাকে দেখি, এনেকি নবূখদনেচৰে স্ব-ইচ্ছাই মানি লৈছিল যে দানিয়েলে যি জনা ঈশ্বৰক আৰধনা কৰে তেও বাবিলৰ আটাইবিলাক ইতৰ দেৱতাতকৈ শ্ৰেষ্ঠ । কিমান সোনকালে চিত্ৰপট সলনি হৈছিল! দানিয়েল আৰু তেওৰ বন্ধুসকল, ঈশ্বৰৰ প্ৰতি থকা তেওবিলাকৰ বিশ্বস্ততাৰ কাৰনেই, বাবিলত থকা তেওবিলাকৰ বন্দীত্বৰ পৰা তেওবিলাকক ৰাজ্যখনৰ মুখ্য চলাওতাৰ পদবীলৈ উন্নিত কৰিছিল (দানিয়েল ২:৪৮, ৪৯) । ঈশ্বৰে সেই লোকসকলক মান সন্মান দিয়ে যি সকলে তেওক শ্ৰদ্ধা-ভক্তি কৰে (১ম চামুৱেল ২:৩০) ।

# আপোনাৰ সহাৰি

জগতৰ ঘটনাবোৰৰ ওপৰত ঈশ্বৰৰ সম্পূৰ্ণ নিয়ন্ত্ৰন থকা কথাটোক চিনি পাই, আপুনি আপানাৰ জীৱনটোক সম্পূৰ্ণভাৱে নিয়ন্ত্ৰন কৰিবলৈ তেওৰ হাতত এৰি দিবলৈ ইচ্ছা কৰিব নে?

**উত্তৰ:**

# সংযোজন

এই খন্ডটোৱে অতিৰিক্ত অধ্যয়নৰ বাবে অধিক তথ্যৰ যোগান ধৰিব । অধিক জানিবলৈ আগবাঢ়ি যাওক ।



## সোন = বাবিল

সোনৰ মূৰটোৱে বাবিলক সূচায়, যি ৬১২-৫৩৯ খ্ৰীষ্টপূৰ্বলৈ পৃথিবী শাসন কৰিছিল ।

## ৰূপ = মেডিয়া-পাৰস্য

ৰূপৰ বুকু আৰু বাহুৱে মেডিয়া-পাৰস্যক সূচায়, যি ৫৩৯-৩৩১ খ্ৰীষ্টপূৰ্বলৈ বিশ্ব সাম্ৰাজ্যৰ শাসক আছিল ।

## পিতল = গ্ৰীচ

পিতলৰ পেট আৰু কৰঙনে গ্ৰীচক সূচায়, যি ৩৩১-১৬৮ খ্ৰীষ্টপূৰ্বলৈ জগত শাসন কৰিছিল ।

## লোহা = ৰোম

লোহাৰ ভৰিয়ে ৰোমক সূচায়, যি ১৬৮ খ্ৰীষ্টপূৰ্বৰ পৰা ৪৭৬ খ্ৰীষ্টাব্দলৈ পৃথিবীৰ আধিপত্যৰ সোৱাদ লভিছিল ।

## লোহা আৰু কুমাৰৰ মাটি = বিখণ্ডিত সাম্ৰাজ্য

ভৰিৰ পতা যি কিছু লোহা আৰু কিছু কুমাৰৰ মাটি আছিল সেয়ে এখন খন্ড-বিখন্ড হোৱা সাম্ৰাজ্যক সূচায়, যি পৰস্পৰে পৰস্পৰৰ লগত একত্ৰিত হৈ থাকিবলগীয়া নাছিল। ৪৭৬ খ্ৰীষ্টাব্দৰ পৰা একমাত্ৰভাৱে কোনো এটা শক্তিয়ে জগতখনক শাসন কৰা নাই, আৰু ই খ্ৰীষ্টৰ আগমনলৈকে এইদৰে বিভক্ত হৈ থাকিব ।

## শিল = খ্ৰীষ্টৰ অনন্তকলীয়া ৰাজ্য, তেওঁৰ বাক্য, আৰু তেওঁৰ বিধান ।

Panorama of Prophecy, Lesson 2
©2023 Amazing Facts India
All Rights Reserved Printed in India
+91 916 916 4480 | AFTV.in
For more uplifting, life changing resources visit **Bookstore.AFTV.in**

ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য
ASSAMESE